

# পাতালপুৰ পাহাৰ সিদ্ধ যোগাশ্ৰমত ৰত্নপীঠ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰ অধ্যয়ন কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

বহলপুৰ, ৫ মাৰ্চ ঃ পশ্চিম অসমৰ ধুবুৰী জিলাৰ বহলপুৰৰ ৰত্নপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপিকাসকলৰ এটি দলে যোৱা চাৰি মাৰ্চত ক্ষেত্ৰ অধ্যয়ন কাৰ্যসূচীৰ অংশৰূপে নামনি অসমৰ পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনাৰে পৰিবেষ্টিত বহলপুৰৰ পাতালপুৰ সিদ্ধ যোগাশ্ৰম, পাতালপুৰ পাহাৰ, চম্পাৱতী নৈ আৰু ৰাখালঠাকুৰ পাহাৰ পৰিভ্ৰমণ আৰু পৰিদৰ্শন কৰে।

মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জুলা দাসৰ নেতৃত্বত যোৱা ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপিকাসকলক এই ক্ষেত্ৰত অধ্যয়নৰ সময়ছোৱাত অঞ্চলটোৰ ইতিহাস, ঐতিহ্য, লোককথা, পৰম্পৰা আদি দিশ সম্পৰ্কে ব্যাখ্যা আগবঢ়ায় পাতালপুৰ সিদ্ধ যোগাশ্ৰমৰ সম্পাদক তথা ভক্ত জগত চন্দ্ৰ ৰায়ে। অঞ্চলটোৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলে ব্যক্ত কৰা লোককথাৰ আঁত ধৰি পাতালপুৰ সিদ্ধ যোগাশ্ৰমৰ ভক্ত জগত চন্দ্ৰ ৰায়ে কয় যে এসময়ত ভূটান কন্যা চম্পাৱতী গাভৰু হোৱাৰ পাছত ব্ৰহ্মপুত্ৰৰ প্ৰতি আসক্ত হৈ পৰে আৰু ব্ৰহ্মপুত্ৰক পাবলৈ নামনিলৈ ঢাপলি মেলে। কিন্তু এনেকৈ কিছু দূৰ অহাৰ পাছত পাতালপুৰত ৰাখালঠাকুৰ নামৰ গৰুৰখীয়াজনে চম্পাৱতীৰ ৰূপত মুগ্ধ হৈ আগভেটি ধৰে যদিও নাতিদূৰৈত থকা মহাদেৱে চম্পাৱতীক উদ্ধাৰ কৰি ব্ৰহ্মপুত্ৰৰ লগত মিলন হোৱাত সহায় কৰে। সম্প্ৰতি জনশ্ৰুতিত পৰিণত হোৱা এই কাহিনীৰ লগত পাতালপুৰৰ বৰ্তমানৰ প্ৰাকৃতিক সাক্ষীসমূহে ক্ষেত্ৰ অধ্যয়নত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক বাৰুকৈ আকৃষ্ট কৰে। পৰ্যটন উদ্যোগৰ প্ৰচুৰ সম্ভাৱনা থকা মনোৰম নৈসৰ্গিক দৃশ্যৰে ভৰপূৰ বহলপুৰৰ পাতালপুৰ সিদ্ধ যোগাশ্ৰম, পাতালপুৰ পাহাৰ, চম্পাৱতী নৈ আৰু ৰাখালঠাকুৰ পাহাৰ চৰকাৰী পৃষ্ঠপোষকতা পালে অঞ্চলটোৰ বহুসংখ্যক লোকে কৰ্মসংস্থাপনৰ সুবিধা পোৱাৰ লগতে বহলপুৰ বনাঞ্চলখনৰ সুৰক্ষাও সুনিশ্চিত হ'ব বুলি অধ্যাপিকা মঞ্জুলা দাসৰ লগতে দলটোক সহযোগ আগবঢ়োৱা অধ্যাপিকা গুল বৌসনাৰা বেগম আৰু অধ্যাপিকা ড° মনীষা তালুকদাৰে প্ৰকাশ কৰে। দলটোক গাইড হিচাপে বিভিন্ন তথ্যৰে যোগান ধৰা জগত চন্দ্ৰ ৰায়ে আজিৰ পৰা প্ৰায় দুশ বছৰ পূৰ্বে কিদৰে এই গভীৰ বনাঞ্চলৰ নিৰ্জনতাত অকলে যোগ সাধনাত ব্ৰতী হৈ নৰনাৰায়ণ তীৰ্থদেৱে আশ্ৰম প্ৰতিষ্ঠা কৰি জনসাধাৰণক শান্তি আৰু মুক্তিৰ পথ দেখুৱাইছিল। তাকো ছাত্ৰ-ছাত্ৰীসকলক বিতং ব্যাখ্যা আগবঢ়ায় আৰু এই প্ৰাচীন ধৰ্মপীঠক চৰকাৰে অৰ্থসাহায্য আগবঢ়াই সংৰক্ষণ আৰু পৰিবৰ্ধন কৰাৰ দাবী জনায়।